# গছ আৰু অন্য কবিতা

অনিৰ্বাণ দত্ত

পয়েট্ৰী উইডাউট ফিয়াৰ

*গছ আৰু অন্য কবিতা*
(পাৰিপাৰ্শ্বিক কবিতা-সংকলন)
অনিৰ্বাণ দত্ত

প্ৰথম সংস্কৰণ ২০২৪

*Gas Aru Anya Kabita*

*A collection of Assamese ecopoems by Anirban Dutta.*

© 2024 by Author and Poetry without Fear.

All rights reserved. Except for quote in magazines, newspapers, journals, and other review, no part of this book may be reproduced, for any reason, by any means, including any method of photographic reproduction, without the permission from the Publisher.

First Edition 2024.

Published by Poetry without Fear (PWF) in Assam, 2024.
Email: poetrywithoutfear@gmail.com

Printed by Elloid Communication at Guwahati, Assam.

ISBN 978-81-975772-4-6

Price: ₹150.00

## গছ

আটাইতকৈ যদি বেছি হিংসা ভোগ কৰিছে
তেনে সেয়া গছে।

ফল-ফুল ডাল-পাত
লাগ বুলিলেই কাটি-ছিঙি নিয়াৰ পাছত
যদি মন গ'লেই কাৰোবাৰ গুৰি কাটি
গিৰাই দিয়া হৈছে
তেনে সেইজোপা গছ।

পথ বহলোৱাৰ নামত
ঘৰ বন্ধোৱাৰ নামত
কাঠ-শৰীৰ বেছি ধন ঘটাৰ নামত
নিদাৰুণভাৱে বগৰাই দিয়া হৈছে গছক।

আপুনি নিৰ্যাতিত বুলি মিছাতেই কিয় কান্দে
কান্দিব লাগে যদি কান্দক গছে
অস্তিত্বৰ সংকট বুলি মিছাতে কিয় বিদ্ৰোহ কৰে
কৰে যদি কৰক গছে।

আপোনাৰ বাবে নিৰাপদ ঠাই
নগৰ চহৰ গাঁও আছে
গছৰ বাবে ক'ত?
দুৰ্গম পৰ্বতৰ মাজতো সুৰক্ষা নাই গছৰ।

অথচ, অৰণ্য-গৃহত গছে

আতিথ্য কাক দিয়া নাই?

গছৰ বদান্যতাত আপুনি মানুহ
মানুহ হৈ আছে
চৰাই চৰাই
বাঘ বাঘ
মাছ মাছ
বিনিময়ত গছেচোন কাকো একো বিচৰা নাই ।

কাকো একো নিবিচাৰে
কাৰো চোতাল নগচকে
কাকো বিধি-পথালি নিদিয়ে
কাকো কটু কথা নকয়
বৰং সকলোকে লালন-পালন কৰে
আনকি মৰাৰ পাছতো
শৰীৰ দান কৰে— তেৱেঁই গছ।
ইচ্ছা কৰিলে মানুহ গছ হ'ব পাৰেনে?

কটা যোৱাৰ পাছতো
গুৰিতে গজালি মেলা
পৰোপকাৰী আৰু অত্যন্ত অমায়িক গছবোৰ
আসুৰিক মানুহ নহয়
সিহঁতক তুলি ধৰিবলৈ
অলপো আতংকিত হ'ব নালাগে।

# ভুল

মিছাতেই বাৰীখন চেঁচুক কৰিছে বুলি
কাটি পেলালোঁ ঢাপৰ টেঙা আম,

নিতৌ সৰি সৰি পাতবোৰে
পোতে চিকুণ পদূলিটো
কাটি পেলালোঁ কঁটীয়া কঁঠাল,

এবাৰো নাভাবিলোঁ
আম কঁঠাল ফলমূল গছবোৰ যে
একোজোপা গছেই নহয়—
একোখন সমৃদ্ধ ঘৰ
একোটা মেটমৰা খাদ্যৰ ভঁৰাল
কাৰোবাৰ।

বাৰীততো নায়েই আনলৈ বুলি এজোপা অদৰকাৰী গছ।
হাবিতো নাই।

নিজৰ ভোক আৰু সম্ভোগৰ বাবে
বাৰ মাহ বেহা কৰা মানুহ
ভাঙিছোঁ আনৰ ভঁৰাল
তৈয়াৰ কৰিছোঁ ক্ষুধাৰ পৃথিৱী।
লঘোণে মৰিছে পশু-পক্ষী কীট-পতংগ
ভয়তে এৰিছে পৈতৃক ভেটি
গৈ ক'ত মৰিব মানুহৰ চিৰকলীয়া সহচৰী।